# ১২. ক্ৰিয়া পদ

১২.০১ ক্ৰিয়াপদ সব্যয় পদৰ এটি প্ৰধান ভাগ। কোনো কাম কৰা, হোৱা বা ঘটা বুজোৱা পদবোৰেই ক্ৰিয়াপদ। ভাষা এটাৰ বহুবোৰ ৰূপতাত্ত্বিক দিশ ইয়াৰ লগত জড়িত হৈ আছে। ধাতু, পুৰুষ, কাল, ভাব (mood) আৰু বাচ্য — এই কেউটাৰ সুসমন্বয়তহে ক্ৰিয়াপদৰ আলোচনা সম্পূৰ্ণ হ'ব পাৰে।

ধাতু ঃ ধাতুৰেই হৈছে ক্ৰিয়াপদৰ মূল। আন কথাত ক্ৰিয়াপদৰ পৰা পুৰুষবাচক, কালবাচক আৰু ভাববাচক বিভিন্ন চিহ্নবোৰ আঁতৰাই আনিলে যি মূল ৰূপ থাকে, সিয়েই ধাতু। যেনে,

**পঢ়োঁ, পঢ়িছোঁ, পঢ়িছিলোঁ, পঢ়িম, পঢ়ক**

এই ক্ৰিয়াপদ কেইটাৰপৰা ক্ৰমে -ওঁ, -ইছোঁ, -ইছিলোঁ, -ইম্, আৰু -অক আঁতৰাই আনিলে তাৰ মূল ৰূপ হ'ব পঢ়্-; এই পঢ়্- টোৱেই উল্লিখিত ক্ৰিয়াপদকেইটাৰ মূল বা ধাতু। গতিকে ধাতু ক্ৰিয়াপদৰ মূল ভেটি। অসমীয়া ভাষাত প্ৰায় ডেৰ হেজাৰমান ধাতু দেখা যায়। ইয়াৰে কিছুমান ধাতু লোপ পাইছে বা সময়ৰ লগে লগে অপ্ৰচলিত হৈ পৰিছে।

১২.০২ অসমীয়া ধাতুবোৰৰ উৎপত্তি, সিবোৰৰ প্ৰকৃতি আৰু গাঠনিক দিশ বিচাৰ কৰি এইবোৰক মুখ্যতঃ তিনিটা ভাগত ভগাব পাৰি ঃ

(ক) মুখ্য বা মৌলিক ধাতু (Primary roots)

(খ) গৌণ বা সাধিত ধাতু (Secondary roots বা derivatives)

(গ) যৌগিক ধাতু (compounded roots)

এই কেউপ্ৰকাৰ ধাতুতে পুৰুষ, কাল আৰু ভাববাচক চিহ্ন যোগ কৰি নতুন নতুন ক্ৰিয়াপদ গঠন কৰিব পাৰি। আকৃতিৰ ফালৰ পৰা এই ধাতুবোৰ স্বৰান্ত আৰু ব্যঞ্জনান্ত, দুয়ো ধৰণৰ হ'ব পাৰে।

**১২.০২.১ মৌলিক ধাতু ঃ** যিবোৰ ধাতু স্বয়ং সিদ্ধ, যিবোৰ ধাতুক অৰ্থপূৰ্ণভাৱে ভাঙি খণ্ড খণ্ড কৰিব নোৱাৰি, সেইবোৰেই মুখ্য বা মৌলিক ধাতু। যেনে,

**কৰ্, দেখ্, পঢ়্, মৰ্, বল্, খা, যা, শুন্, উজা, ওপজ,**

**উৰ্, ওলম্, ওঘাল, ফাল্, পাৰ্ থ** ইত্যাদি।

এই ধাতুবোৰৰ উৎসলৈ (source) লক্ষ্য কৰিলে দেখা যায় যে এইবোৰৰ কিছুমান সংস্কৃতৰ সাধাৰণ ধাতুৰ পৰা প্ৰাকৃতৰ মাজেদি আহিছে (যেনে, কৰ্, দেখ, পঢ়্ আদি), কিছুমান ধাতু সংস্কৃতৰ উপসৰ্গযুক্ত ধাতুৰপৰা আহিছে (যেনে, উজা, ওপজ্, ওলম্ আদি)

আৰু কিছুমান ধাতু সংস্কৃতৰ পাঁচনি ধাতুৰপৰা আহিছে (যেনে, ফাল্, পাৰ্, থ, দা আদি)। সংস্কৃতৰ পৰা অহা মৌলিক ধাতুবোৰৰ অধিকাংশই তদ্ভৱ অৰ্থাৎ প্ৰাকৃতৰ মাজেদি অহা। তৎসম আৰু অৰ্দ্ধ তৎসম মৌলিক ধাতুও অসমীয়াত আছে। যেনে, চিন্ত্, পূজ, লভ্, লিখ্, গৰজ্, সুমৰ্ আদি। অজ্ঞাত মূল বা দেশী, আৰ্য ভিন্ন ভাষা আৰু বিদেশী মূলৰ পৰা অহা দুই-এটা শব্দও অসমীয়াত মৌলিক ধাতু হিচাপে ব্যৱহাৰ হোৱা দেখা যায়।

১২.০২.২ সাধিত ধাতু ঃ যিবোৰ ধাতু অৰ্থপূৰ্ণ ভাবে ভাঙি খণ্ড খণ্ডকৈ দেখুৱাব পাৰি, যিবোৰ ধাতু ভাঙিলে এটা ধাতু বা নামশব্দ আৰু একাধিক প্ৰত্যয় পোৱা যায়, সেইবোৰেই সাধিত বা গৌণ ধাতু। যেনে,

**পঢুৱা, চৰিয়া, ধপ্‌ধপা, দেখা** ইত্যাদি।

এই ধাতুকেইটা ভাঙিলে আমি নিম্ন লিখিত ৰূপকেইটা পাম ঃ

পঢ্ + উৱা, চৰ (নামপদ) + ইয়া, ধপ্‌ধপ্ + আ, দেখ + আ

এইদৰে **পঢ্** ধাতুত **-উৱা** যোগ হৈ **পঢুৱা**, **চৰ্** নামপদত + ইয়া যোগ হৈ **চৰিয়া**, **ধপ্‌ধপ্** ধ্বন্যাত্মক শব্দত **আ** যোগ হৈ **ধপ্‌ধপা** আৰু **দেখ্** ধাতুত **আ** যোগ হৈ **দেখা** সাধিত ধাতু গঠিত হৈছে। এই সাধিত ধাতুকেইটাত যোগ হোৱা ক্ৰমে -উৱা আৰু -ইয়া প্ৰত্যয় অৰ্থবহ। ইহঁতৰ যোগত ক্ৰমে **পঢুৱা**- পাঁচনি ধাতু, **চৰিয়া**-নামধাতু, **ধপ্‌ধপা** ধ্বন্যাত্মক ধাতু আৰু **দেখা** কৰ্মবাচ্যৰ ধাতু গঠন কৰা হৈছে। ইয়াৰপৰা দেখা যায় যে সাধিত ধাতুবোৰ কোনো মৌলিক ধাতু বা নামশব্দৰ পিছত বিভিন্ন অৰ্থবাচক প্ৰত্যয় যোগ কৰি গঠন কৰা হয়। অসমীয়াত সাধিত ধাতু মুখ্যত ঃ তিনিপ্ৰকাৰৰ ঃ (ক) পাঁচনি ধাতু (খ) নামধাতু আৰু (গ) ধ্বন্যাত্মক ধাতু। কেতিয়াবা কৰ্মবাচ্যৰ ধাতুবোৰকো ইয়াৰ ভিতৰত ধৰিব পৰা যায়। যেনে, কথাটো ভাল **শুনা** নাই, কামটো **হোৱা** নাই আদি। কিন্তু পাঁচনী ধাতু, নামধাতু আৰু ধ্বন্যাত্মক ধাতুৰ দৰে কৰ্মবাচ্যৰ ধাতুবোৰ পুৰুষ-বিভক্তি আৰু কাল অনুযায়ী ৰূপ কৰিব নোৱাৰি।

পাঁচনি ধাতু ঃ আনৰ দ্বাৰা কাৰ্য সমাধা কৰা ধাতুবোৰেই পাঁচনি ধাতু। পাঁচনি ধাতু গঠন কৰা প্ৰত্যয় কেইটা হৈছে ঃ -আ আৰু -উৱা/-ওৱা। মৌলিক ধাতুৰ পিছত এই প্ৰত্যয় কেইটা যোগ দি পাঁচনি ধাতু গঠন কৰা হয়। পাঁচনি প্ৰত্যয় যোগ হ'লে প্ৰায়ে মূল ধাতুটোৰ আদ্য অক্ষৰৰ বা মধ্যাক্ষৰৰ স্বৰৰ গুণৰ পৰিবৰ্তন হয়। আকৃতিগত ভাবে পাঁচনি প্ৰত্যয় তিনিটা যদিও তিনিওটাৰে অৰ্থ একেই অৰ্থাৎ আন মানুহক পাঁচি ক্ৰিয়া কৰোৱা। পাঁচনি প্ৰত্যয় যোগ হোৱা কিছুমান পাঁচনি ধাতু হ'ল ঃ

-আ প্ৰত্যয় যুক্ত ঃ ক্ + আ = **কোৱা**
ল + আ = **লোৱা**
গা + আ = **গোৱা**
দি + আ = **দিয়া**